**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-08-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। বিশ্বনাথৰ ননকে জাপৰিগুৰিৰ ১৭০ বিঘা ভূমিত আজি উচ্ছেদ অভিযান।

২। কেন্দ্ৰীয় চৰকাৰৰ গুৱাহাটীৰ দীপৰ বিল বন্যপ্ৰাণী অভয়াৰণ্যৰ কাষৰীয়া এলেকাক পৰিৱেশ সংবেদনশীল অঞ্চল হিচাপে অধিসূচনা জাৰিৰ প্ৰস্তুতি।

৩। স্বৰাজোত্তৰ কালত দেশে বহু দিশত অগ্ৰগতি লাভ কৰা বুলি দৃষ্টিপাত অনুষ্ঠানত ৰাজ্যৰ কেইবাগৰাকীও বৰ্ষীয়ান ব্যক্তিৰ মন্তব্য।

৪। পুৱতি নিশা বিজুলী-ঢেৰেকণিৰ সৈতে অহা ধাৰাষাৰ বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ কেইবাটাও অঞ্চলত কৃত্ৰিম বান। ***আৰু***

৫। যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ ডুৰাণ্ড কাপৰ চেমিফাইনেলত প্ৰৱেশ।

০০০০০০

বিশ্বনাথ জিলা প্ৰশাসনে আজি ননকে জাপৰিগুৰিৰ ১৭০ বিঘা ভূমিত উচ্ছেদ চলোৱা হৈছে। যোৱা ২ আগষ্টত অঞ্চলটোৰ ৩০৯টা পৰিয়াললৈ উচ্ছেদ অভিযানৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ কৈছিল। অবৈধ দখলকাৰীক সেই স্থান এৰি যাবলৈ কালি মাইক যোগে অন্তিমবাৰৰ বাবে ঘোষণা কৰা হয়। উচ্ছেদ অভিযানৰ বাবে ২০ খন বুলড'জাৰ, ১০ খন ট্ৰেক্টৰ আৰু ২০ খন সৰু-বৰ বাহন ব্যৱহাৰ কৰা হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে ইতিমধ্যে অঞ্চলটোত আৰক্ষী প্ৰশাসন সষ্টম হৈ আছে আৰু অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। উচ্ছেদ অভিযানৰ বাবে অঞ্চলটো চাৰিটা জোনত ভাগ কৰা হৈছে। দুটা জোনত একোজনকৈ অতিৰিক্ত আয়ুক্তক নিয়োগ কৰা হৈছে। ইয়াৰ উপৰি ছজনকৈ কাৰ্যবাহী দণ্ডাধীশো নিয়োগ কৰা হৈছে। উচ্ছেদ অভিযান সন্দৰ্ভত অতিৰিক্ত আয়ুক্ত অসীম বৰগোঁহায়ে এইদৰে কয়-

***(বাইট)***

অঞ্চলটোৰ চৰকাৰী আঁচনিৰ অন্তৰ্গত দুটা অংগনবাড়ী কেন্দ্ৰ, বিদ্যালয়, অমৃত সৰোবৰৰ বাহিৰে বাকী চাহ বাগিছা আদিত উচ্ছেদ কৰা হ'ব।

জিলাখনত অবৈধ দখলকাৰীৰ কবলত ৫৬ হাজাৰ বিঘা চৰকাৰী ভূমি আছে। ইয়াৰে ভিতৰত বিশ্বনাথ ৰাজহ চক্ৰতে প্ৰায় ৪৪ হাজাৰ বিঘা ভূমি আছে। বিশ্বনাথৰ চৰ অঞ্চলৰ গাতে লাগি থকা অঞ্চলটোত উচ্ছেদ চলিব বুলি বহু লোকে মূল্যবান সামগ্ৰী আন ঠাইলৈ লৈ গৈছে যদিও একাংশ লোকে এতিয়াও স্থান এৰিবলৈ মান্তি হোৱা নাই। উচ্ছেদ অভিযানৰ সময়ত যাতে কোনো আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে অঞ্চলটোত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ ধাৰা বলৱৎ কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে গুৱাহাটীৰ দীপৰ বিল বন্যপ্ৰাণী অভয়াৰণ্যৰ কাষৰীয়া এলেকাক পৰিৱেশ সংবেদনশীল অঞ্চল- ইক' ছেনজিটিভ জ'ন হিচাপে ঘোষণাৰ অধিসূচনা জাৰি কৰিছে। মন্ত্ৰালয় ১৯৮৬ চনৰ পৰিৱেশ সুৰক্ষা আইনৰ অধিনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৰ্ববৃহৎ জলাশয় তথা বিভিন্ন বিলুপ্ত

প্ৰায় প্ৰজাতিৰ পক্ষী, সৰীসৃপ আৰু জলজ পতংগৰ আবাস স্থলী দীপৰ বিলৰ সংৰক্ষণৰ বাবে এই পদক্ষেপ লৈছে। অধীসূচনাখনত পৰিৱেশ সংবেদনশীল অঞ্চলৰ পৰিসৰ দীপৰ বিল বন্য প্ৰাণী অভয়াৰণ্যৰ সীমাৰ চাৰিও দিশে ২৫ দশমিক ২-৯-৪ মিটাৰৰ পৰা ৫ কিলোমিটাৰ পৰ্যন্ত বিস্তৃত হৈ থাকিব বুলি কোৱা হৈছে। পৰিৱেশ সংবেদনশীল অঞ্চলে মুঠ ৩৮ দশমিক ৮-৪ বৰ্গ কিলোমিটাৰ এলেকা সামৰি ল'ব। অৱশ্যে বিভিন্ন দিশত পৰিৱেশ সংবেদনশীল অঞ্চলৰ পৰিসৰ পৃথক পৃথক হ'ব। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জনবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ঘাইকৈ জলাশয়টো আৰু ইয়াৰ বন্য প্ৰানীসমূহক প্ৰদূষণ আৰু ক্ৰমবৰ্ধমান উন্নয়নৰ বিৰুপ প্ৰভাৱৰ পৰা ৰক্ষা কৰিবলৈ এই প্ৰস্তাৱ দিয়া হৈছে। দীপৰ বিলৰ কাষৰীয়া অঞ্চলসমূহক পৰিৱশে সংবেদনশীল হিচাপে ঘোষণা কৰিলে নিৰ্মাণ, খনন আৰু পৰ্যটনৰ দৰে কাৰ্যকলাপ নিয়ন্ত্ৰণ তথা নিষিদ্ধ হ'ব আৰু প্ৰদূষণৰ মাত্ৰাও হ্ৰাস পাব। খচৰা অধীসূচনা অনুসৰি আগ্ৰহী যিকোনো ব্যক্তিয়ে ৬০ দিনৰ ভিতৰত এই সন্দৰ্ভত আপত্তি পৰামৰ্শ দাখিল কৰিব পাৰিব। উল্লেখযোগ্য যে দীপৰ বিলত ১৫০ টা প্ৰজাতিৰ পক্ষী পোৱা যায়। ইয়াৰে দুটা প্ৰজাতি বিপন্ন, এটা বিলুপ্ত প্ৰায়, ৫ টা স্পৰ্শকাতৰ আৰু চাৰিটা ভাবুকিৰ সন্মুখীন হোৱা। ইয়াৰ উপৰি দীপৰ বিলত ১২টা প্ৰজাতিৰ সৰীসৃপ, পঞ্চাছটা প্ৰজাতিৰ মাছ, ৬টা প্ৰজাতিৰ উভচৰ আৰু ১৫৫ টা প্ৰজাতিৰ জলজ পতংগৰ উপস্থিতিৰ তথ্য প্ৰমাণ আছে।

oooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা কালি গুৱাহাটীত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত দুয়োগৰাকী নেতাই দীৰ্ঘ দিনীয়া সীমা বিবাদ আৰু উন্নয়নমূলক সহযোগিতাকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় লৈ আলোচনা কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে কয়, যে মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত দুয়োখন ভগ্নি ৰাজ্যৰ পাৰস্পৰিক উন্নয়ন শক্তিশালী কৰাৰ বাবে বহুকেইটা বিষয় লৈ আলোচনা কৰা হয়। একেদৰে মেঘালয়ৰ মুখ্যমন্ত্ৰী চাংমাই সামাজিক মাধ্যমৰ এটা পোষ্টত কয়, যে ভগ্নী ৰাজ্যসমূহৰ মাজত সম্বন্ধ সুদৃঢ় কৰা আৰু বিকাশৰ বাবে বৃহত্তৰ সগযোগিতাৰ পথ অন্বেষণ সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। অৱশ্যে দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে আলোচনাৰ বিষয়ে বিষদভাৱে প্ৰকাশ কৰা নাই।

oooooo

দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কালি প্ৰচাৰ কৰা **"স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো"** শীৰ্ষক এটা বিশেষ দৃষ্টিপাত অনুষ্ঠানত ৰাজ্যখনৰ কেইবাগৰাকী বিশিষ্ট লোকে স্বাধীনতাৰ অনুভৱৰ লগতে তেওঁলোকৰ প্ৰত্যাশা আৰু অভিজ্ঞতাৰ বিষয়ে ব্যক্ত কৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন কৰা এই অনুষ্ঠানটোত ৯৭ বছৰ বয়সীয়া সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীয়ে স্বাধীনতাৰ পাছত ভাৰতে বহু দিশত অগ্ৰগতি লাভ কৰাৰ কথা প্ৰকাশ কৰি কয়, যে অতি শীঘ্ৰে বিশ্বৰ আগশাৰীৰ দেশসমূহৰ মাজত এখন হ'ব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ড° নিৰ্মল কুমাৰ চৌধুৰীয়ে স্বাধীনতাৰ পাছত দেশে বহু ক্ষেত্ৰত প্ৰগতি লাভ কৰিলেও অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ হাৰ আশানুৰূপ হোৱা নাই বুলি মন্তব্য কৰে।

**বাইট (ড° নিৰ্মল কুমাৰ চৌধুৰী)**

ডিব্ৰুগড় জিলাৰ বয়োবৃদ্ধ নাগৰিক থুল কোঁৱৰ, প্ৰাক্তন বিধায়ক তথা মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° নগেন শৰ্মা, মঙলদৈৰ নেতৃস্থানীয় ব্যক্তি বীৰেন্দ্ৰ কুমাৰ বৰুৱাইও স্বাধীনতা সন্দৰ্ভত নিজৰ মত ব্যক্ত কৰে।

বিশিষ্ট লেখিকা, আন্তৰ্জাতিক খ্যাতিসম্পন্ন খেলুৱৈ তথা ৰাষ্ট্ৰপতিৰ নাৰী শক্তি পুৰস্কাৰেৰে সন্মানিত সুমিত্ৰা হাজৰিকাই কয়, যে দেশৰ সকলো স্তৰৰ নাগৰিকৰ মৌলিক প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰিলেহে দেশে সঁচা অৰ্থত স্বাধীনতা লাভ কৰিব।

**বাইট (সুমিত্ৰা হাজৰিকা)**

০০০০০০

পুৱতি নিশা বিজুলী-ঢেৰেকণিৰ সৈতে অহা ধাৰাষাৰ বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ কেইবাটাও অঞ্চল কৃত্ৰিম বানত বুৰ গৈছে। মহানগৰীখনৰ নবীন নগৰ, অনিল নগৰ, হাতীগাঁও, ৰুক্মিনীনগৰ, চানমাৰি আদি অঞ্চলত হোৱা বানৰ ফলত পুৱাৰে যাতায়াত ব্যাহত হৈ পৰিছে। বিভিন্ন স্থানত গছ আৰু বিদ্যুতৰ খুঁটা উভালি পৰাৰ ফলত বিদ্যুতৰ যোগান বিচ্ছিন্ন হৈছে। অৱশ্যে বিদ্যুৎ বিভাগৰ কৰ্মচাৰীসকলে গ্ৰাহকক বিদ্যুতৰ নিয়মীয়া যোগান ধৰিবলৈ তৎপৰতাৰে কাম কৰি আছে। গুৱাহাটীৰ কিছু কিছু অঞ্চলত ৰাজপথ আৰু পদপথসমূহো পানীত বুৰ যোৱাত যান বাহনৰ চলাচল আৰু স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে।

০০০০০০

গায়ক, সুৰকাৰ তথা গীতিকাৰ খগেন মহন্তৰ আজি ৮৪ সংখ্যক জন্ম বাৰ্ষিকী। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি গুৱাহাটী কাহিলিপাৰাত থকা জ্যোতি চিত্ৰবনৰ ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহত শিল্পী খগেন মহন্তৰ জয়ন্তী উপলক্ষে **যায় অ' কানু বাই বেণু** শীৰ্ষক এটা সুৰীয়া সন্ধিয়াৰ আয়োজন কৰা হৈছে। বিয়লি চাৰে ৫ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত শিল্পীগৰাকীৰ কালজয়ী গীতসমূহৰ স্মৃতি সোঁৱৰণ কৰা হ'ব।

উল্লেখযোগ্য যে সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত শিল্পীগৰাকীক আজি ৰাজ্যজুৰি স্মৰণ কৰা হৈছে। ১৯৬৫ চনৰ পৰা আকাশবাণীৰ নিয়মীয়া শিল্পী হিচাপে গীত গাই ১৯৭২ চনত তেওঁ প্ৰথম শ্ৰেণীৰ সুগম সংগীত আৰু লোকসংগীতৰ শিল্পী হিচাপে আকাশবাণীৰ স্বীকৃতি লাভ কৰে। ১৯৭৪ চনৰ পাছত তেওঁ আকাশবাণীত সুৰকাৰ হিচাপে চাকৰিত যোগদান কৰি পাছলৈ সংগীত প্ৰযোজক আৰু শেষত আকাশবাণীৰ উত্তৰ-পূব সঞ্চালকালয়ৰ সহকাৰী সঞ্চালক হিচাপে ২০০১ চনৰ ৩১ ডিচেম্বৰত অৱসৰ লয়।

১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়ছোৱাত বিষ্ণু প্ৰসাদ ৰাভা, হেমাংগ বিশ্বাস, যুগল দাসৰ হাৰমণি দলৰ এজন সক্ৰিয় সদস্যৰূপে ৰাজ্যজুৰি শান্তিৰ হকে তেওঁ গীত পৰিৱেশন কৰিছিল। **কাউৰী পৰে, মা আমি শদিয়ালৈ যামে** আদিকে ধৰি কেইবাটিও কালজয়ী গীতেৰে অসমৰ সংগীত ক্ষেত্ৰখনক তেখেতে সমৃদ্ধ কৰি গৈছে। ৰাজ্যৰ ভিতৰুৱা অঞ্চলসমূহৰ পৰা সংগ্ৰহ কৰা লোকগীতসমূহ ৰাইজলৈ আগবঢ়াই দিয়াৰ লগতে বিহু গীতসমূহৰ প্ৰসাৰ আৰু প্ৰচাৰৰ তেখেতে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

০০০০০০

যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ চেমিফাইনেলত প্ৰৱেশ কৰিছে। কোকৰাঝাৰৰ ভাৰতীয় খেল প্ৰাধীকৰণৰ ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে বড়োলেণ্ড এফ চিক ৪-০ গলত পৰাস্ত কৰে। খেলৰ ২৯ মিনিটত আলাদিন আজাৰায়ে জিতিনৰ পৰা সুন্দৰ বল লাভ কৰি প্ৰথমটো গ'ল দিয়ে। দ্বিতীয়াৰ্ধত বড়োলেণ্ড এফ চিয়ে গ'ল কৰাৰ চেষ্টাৰে আক্ৰমণ কৰে যদিও এই ৰণনীতিয়ে দলৰ ৰক্ষণ বিভাগ দুৰ্বল কৰি তোলে। এই সুযোগৰ সদ্ব্যৱহাৰ কৰি নৰ্থ ইষ্ট ইউনাইটেডে আৰু তিনিটা গ'ল কৰে। চেমিফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চি শ্বিলং লাজং এছ চিৰ সন্মুখীন হ'ব। শ্বিলং লাজং এফ চিয়ে শ্বিলঙত অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় নৌ সেনা দলক ২-১ গলত পৰাস্ত কৰি চেমিফাইনেলত স্থান নিশ্চিত কৰে।

প্ৰতিযোগিতাত আজি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত হ'বলগীয়া তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত মোহন বাগান ছুপাৰ জায়েণ্ট ইষ্ট বেংগলৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। এই খেলৰ বিজয়ী দলটো চেমিফাইনেলত জমছেদবুৰ এফ চি আৰু ডায়মণ্ড হাৰ্বাৰ এফ চিৰ মাজৰ চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলৰ বিজয়ী দলটোৰ সন্মুখীন হ'ব।

০০০০০০

দেশ আৰু ৰাজ্যত ৭৯ সংখ্যক স্বাধীনতা দিৱস উলহ মালহেৰে উদযাপন হোৱাৰ সন্দৰ্ভত বিভিন্ন বা বাতৰি গুৱাহাটীৰ পৰা আজি প্ৰকাশিত আটাইকেইখন কাকতে আলোকচিত্ৰ সহ প্ৰকাশ কৰিছে। আলাস্কাত ট্ৰাম্প পুটিনৰ বৈঠক অমীমংসিত হৈ ৰোৱা সন্দৰ্ভত প্ৰায় কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যত বছৰি **১২** লাখ টকাৰ পৰা ৫০ লাখ টকা পৰ্যন্ত আয় হোৱা লোকৰ সংখ্যা বৃদ্ধি পাইছে। এই বাতৰিটোক দৈনিক অসম কাকতে ২০২৭ চনত অসমত ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীৰ মন্তব্যৰ উদ্ধৃতিৰে আমাৰ অসম কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। NCERT য়ে বিভাজন বিভীষিকা সোঁৱৰণী দিৱস উপলক্ষ্যে প্ৰকাশ কৰা এক বিশেষ মদিউলত মহম্মদ আলী জিন্না, কংগ্ৰেছ আৰু মাউণ্টবেটেনক দোষী সাব্যস্ত কৰা হৈছে। এই বাতৰিটোক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আন্তঃৰাজ্যিক সীমান্তত অসম আৰক্ষীৰ জোৱানৰ মোতায়েন বৃদ্ধি পাইছে। The Assam Tribune কাকতে এই সন্দৰ্ভত এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চাপৰত উচ্ছেদিত ভূমিত তাপবিদ্যুৎ প্ৰকল্প স্থাপনৰ কাম আৰম্ভ হোৱাৰ পূৰ্বেই আদানি গ্ৰুপৰ পৰা বিদ্যুৎ ক্ৰয়ৰ সিদ্ধান্ত লৈছে APDCLয়ে। দৈনিক অগ্ৰদূত কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত ৩.৫ কোটি নিয়োগ সৃষ্টি হব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা দিৱসৰ কাৰ্যসূচীত কৰা ঘোষণাক অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জম্মু কাশ্মীৰত ডাৱৰ বিস্ফোৰণত ৬০ গৰাকী লোকে প্ৰাণ হেৰুৱায়। এই বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ, ডিব্ৰুগড়ৰ শিক্ষা বিভাগে ২০২৫-২৬ শিক্ষাবৰ্ষত হ'বলগীয়া নাৰ্ছিং, ফাৰ্মাচিউটিকেল চায়েন্স, পেৰামেডিকেল, বাণিজ্য আৰু মেনেজমেণ্ট, ইঞ্জিনিয়াৰিং, কম্পিউটাৰ পাঠ্যক্ৰমৰ বাবে ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে। নিৰ্বাচিত প্ৰাৰ্থীসকলক যিকোনো চৰকাৰী স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয়ত পাঠ্যক্ৰম গ্ৰহণৰ বাবে সংযুক্ত কৰা হ'ব। ইয়াৰ বাবে ইচ্ছুক আবেদনকাৰীয়ে ২৫ আগষ্ট, ২০২৫ৰ ভিতৰত www.skaceducation.in ৰ যোগেদি অনলাইযোগে আবেদন কৰিব পাৰিব। এই ৱেবছাইটোৰ পৰা পাঠ্যক্ৰমৰ সবিশেষ ডাউনলডো কৰি ল'ব পাৰিব। অহা ২৬ আগষ্ট, ২০২৫ৰ পৰা প্ৰাৰ্থীসকলৰ কাউন্সেলিং আৰু সাক্ষাৎকাৰ পৰ্যায়ক্ৰমে অনুষ্ঠিত হ'ব।

০০০০০০

ৰাষ্ট্ৰীয়  বঁটাৰে সন্মানিত প্ৰসিদ্ধ অভিনেত্ৰী সীমা বিশ্বাসে এককভাৱে অভিনয় কৰা **অনশুনি চিখেঁ** নামৰ ছুটি ছবিখনে উনবিংশ অযোধ্যা চলচ্চিত্ৰ মহোৎসৱৰ **শ্ৰেষ্ঠ সামাজিক বাৰ্তাবাহী ছবি**ৰ সন্মান লাভ কৰিছে। ইতিপূৰ্বে ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ সমাদৰ লাভ কৰা এই ছবিখন ৰাজ্যৰ শীৰ্ষ আৰক্ষী বিষয়া পাৰ্থ সাৰথি মহন্তৰ এটি কবিতাৰ আধাৰত ৰচিত কাহিনীৰে নিৰ্মাণ কৰা হৈছে। এগৰাকী যুৱতীৰ প্ৰত্যাহ্বানেৰে ভৰা কষ্টকৰ তথা শক্তিশালী জীৱনযাত্ৰাক চিত্ৰায়িত কৰা এই ছুটি ছবিখন পাৰ্থ সাৰথি মহন্তই পৰিচালনা আৰু মীনা মহন্ত আৰু ইন্দ্ৰানী বৰুৱাই প্ৰযোজনা কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকণিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী

ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত